
# পদ্ম কান্ত শৰ্মা



**ডঃ অৰনী কুমাৰ শৰ্মা**

**“শোণিত সুবাস”** ঃ তেজপুৰ তথা শোণিতপুৰৰ বিশিষ্ট বৰেণ্য ব্যক্তিৰ গ্ৰন্থমালা। প্ৰকাশক অসমীয়া ক্লাৱ, তেজপুৰ, ৱাৰ্ড নং - ৫, পিন - ৭৮৪০০১

| | | |
|---|---|---|
| প্ৰকাশক | ঃ | সম্পাদক, অসমীয়া ক্লাৱ, তেজপুৰ<br>ৱাৰ্ড নং - ৫, পিন ঃ ৭৯৪০০১, |
| পদ্ম কান্ত শৰ্মা | ঃ | পদ্ম কান্ত শৰ্মা |
| লিখক | ঃ | ডঃ অৰনী কুমাৰ শৰ্মা |
| প্ৰচ্ছদ | ঃ | কুমুদ বৰুৱা, তেজপুৰ |
| সম্পাদক | ঃ | ৰুবুল শৰ্ম্মা |
| সম্পাদনা সহযোগী | ঃ | হেমন্ত কুমাৰ লহকৰ |
| © | ঃ | অসমীয়া ক্লাৱ, তেজপুৰ |
| প্ৰথম প্ৰকাশ | ঃ | ৪ মে’ ২০১৪ |
| বৰঙণি | ঃ | ২০.০০ টকা |
| ছপা | ঃ | টাইকল ষ্টাইল ট্ৰেক, কুমাৰ গাঁও, তেজপুৰ |

**Sonit Subash :** A Series of Books on the legendary persons of Tezpur, Sonitpur. Published by Asomiya Club, Tezpur, ward No - 5, PIN - 784001

# প্ৰকাশকৰ একাষাৰ

ইতিহাসক প্ৰগতিৰ দিশলৈ আগুৱাই নিয়াৰ ক্ষেত্ৰত কিছু বিশিষ্ট ব্যক্তিৰ বৰঙণি সদায়েই গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈ আহিছে। কিন্তু অতি পৰিতাপৰ বিষয় যে উঠি অহা ন-প্ৰজন্ম আমাৰ বুৰঞ্জীৰ শিপাৰ পৰা বিচ্ছিন্ন হোৱাৰ সংশয়ে দেখা দিছে। আনহাতে স্বনামধন্য, বৰেণ্য ব্যক্তিৰ ঐতিহাসিক সামাজিক ভূমিকা সম্পৰ্কে ন-প্ৰজন্মক অবগত কৰোৱাৰ বিশেষ উদ্যোগ দেখা পোৱা নাযায়। এই ক্ষেত্ৰত চৰকাৰী-বেচৰকাৰী অনুষ্ঠান প্ৰতিষ্ঠানসমূহৰ ভূমিকাও আশাব্যঞ্জক নহয় আৰু পঢ়াশালিৰ পাঠ্যপুথিতো বিশেষ গুৰুত্ব দিয়া নহয়।

শোণিতপুৰ বা তেজপুৰত এনে বহু ব্যক্তি আছে যি একোটা যুগত দেশ, জাতি, সমাজ-সংস্কৃতি তথা সাহিত্যৰ ক্ষেত্ৰত আপুৰুগীয়া অৱদান ৰাখি গৈছে আৰু আজিও চৰ্চিত হৈ আছে। কিছু ব্যক্তিয়ে জীৱনৰ অধিক সময়েই সমাজৰ হিতৰ বাবে অক্লান্ত পৰিশ্ৰম কৰি গ'ল; অথচ তেওঁলোকৰ অৱদান বালিৰ তলৰ মুকুতা হৈ পৰি আছে। এনে সকলো ব্যক্তিৰ উজ্বল দিশসমূহৰ এক সম্যক পৰিচয় জনমানসৰ ওচৰত তুলি ধৰাৰ পুনৰ প্ৰয়োজন হৈছে। এই লক্ষ্যত ''অসমীয়া ক্লাৱ, তেজপুৰ''এ শোণিতপুৰ বিশেষকৈ তেজপুৰৰ বৰেণ্য ব্যক্তিৰ পৰিচয়মূলক এলানি পুথি প্ৰকাশৰ দিহা কৰিছে।

ই এক জটিল তথা দুৰূহ কাম, যদিও ক্লাৱে তেনে বিশিষ্ট ব্যক্তিৰ এখন দীঘলীয়া তালিকা প্ৰস্তুত কৰিছে। প্ৰথমে কোন কোন ব্যক্তিক প্ৰাধান্য দিয়া হ'ব ? ইয়াৰ উত্তৰত আমি ঠিক কৰিছো যে অসমীয়া ক্লাৱৰ সৈতে জড়িত হোৱা ব্যক্তিক প্ৰথমে আমি তুলি ধৰিম যদিও ঐতিহাসিক প্ৰেক্ষাপটৰ ওপৰত ঠিয় হৈ আনসকলকো গুৰুত্ব দিয়া হ'ব। আনহাতে তেজপুৰৰ কিছু বৰেণ্য, বাটকটীয়া ব্যক্তি সমাজত তথা সমগ্ৰ অসমত বহুল চৰ্চিত হৈছে আৰু হৈ আছে; তেনে ব্যক্তিক সদ্যহতে আমি অন্তৰ্ভুক্ত কৰা নাই। উদাহৰণ স্বৰূপে জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণু প্ৰসাদ ৰাভা আদি।

'অসমীয়া ক্লাৱে' অহা ২০১৫ চনত শতবৰ্ষ উদ্‌যাপন কৰিব। তেতিয়ালৈ কমেও ২০খন পুথি প্ৰকাশৰ লক্ষ্য লৈছে। পৰ্য্যায়ক্ৰমে পাঁচখনকৈ পুথি প্ৰকাশ কৰা হ'ব। 'শোণিত সুবাস' নামেৰে এই গ্ৰন্থমালাৰ নামাকৰণ কৰা হৈছে। আমি নিৰ্দ্দিষ্ট ব্যক্তিৰ পৰিয়ালৰ লোকৰ দ্বাৰা পুথি প্ৰস্তুত কৰিবলৈ চেষ্টা কৰিছো যদিও আন লেখকৰ দ্বাৰাও এই প্ৰচেষ্টা চলোৱা হৈছে।

আমি বেটুপাতৰ প্ৰথম আৱৰণত অসমীয়া ক্লাৱৰ জন্মলগ্নত জড়িত থকা আৰু অসমীয়া ক্লাৱৰ আহুকালৰ সময়ত জড়িত প্ৰয়াত নমস্য ব্যক্তিৰ ছবি সন্নিবিষ্ট কৰিছো। পিছৰ আৱৰণতো একেই আধাৰ গ্ৰহণ কৰা হৈছে।

বিশিষ্ট ব্যক্তিৰ চমু পৰিচয়মূলক পুথি প্ৰণয়নৰ ওপৰতেই প্ৰধানকৈ জোৰ দিছো, সেয়েহে মূল্যায়ন বা ব্যাখ্যা কৰাৰ পৰা বিৰত আছো। লগতে নিৰ্দ্দিষ্ট ব্যক্তিৰ কোনো বিশেষণো আমি নামৰ সৈতে যুক্ত কৰা নাই; যদিও জনপ্ৰিয় উপাধিৰ সম্পৰ্কে লিখনিত প্ৰকাশ কৰাত কাৰ্পন্যও কৰা নাই। সৰু হাতপুথিৰ লেখিয়াকৈ প্ৰকাশৰ সিদ্ধান্ত লোৱাৰ বাবে আমি সম্পাদনাও কৰিবলগীয়া হৈছে। তাৰবাবে ক্লাৱে শ্ৰী ৰুবুল শৰ্মাক দায়িত্ব দিয়ে।

সম্পাদনাৰ ক্ষেত্ৰত লোৱা পদ্ধতি হ'ল, যি পুথিৰ পাণ্ডুলিপিৰ কলেৱৰ প্ৰয়োজনতকৈ দীঘল হৈছে তাক চমু কৰিবলৈ চেষ্টা কৰা হৈছে; যদিও লিখকৰ মূল কথা বা গুৰুত্বপূৰ্ণ তথ্য অক্ষত ৰখা হৈছে। একেদৰে চমু হোৱা পাণ্ডুলিপিৰ কলেৱৰ বঢ়োৱা হৈছে। যি সকল বৰেণ্য ব্যক্তি অসমীয়া ক্লাৱৰ সৈতে জড়িত আছিল, সেই সকলৰ ক্লাৱৰ সৈতে থকা সম্পৰ্ক তুলি ধৰিবলৈ চেষ্টা কৰা হৈছে।

পাণ্ডুলিপি প্ৰস্তুত কৰা ব্যক্তিৰ একাংশ নিয়মীয়া লেখক নহয়। গতিকে আমি সাহিত্যতকৈ নিৰ্দ্দিষ্ট ব্যক্তিৰ ঐতিহাসিক, সামাজিক পৰিসৰত নিজস্ব অবদান, ত্যাগ তথা কৰ্মৰ ওপৰত বিশেষ গুৰুত্ব দিছো। বানান বিভ্ৰাত কমাবলৈ অশেষ চেষ্টা কৰা হৈছে যদিও সফলকাম হ'ব পাৰিছো বুলি দাবী কৰিব নোৱাৰো।

আমি প্ৰকাশিত পুথিৰ অৰিহণা নিৰ্দ্ধাৰণ কৰিছো তথাপিও বিভিন্ন অনুষ্ঠান, প্ৰতিষ্ঠান তথা ব্যক্তিৰ বৰঙণিও আশা কৰিছো। যাতে ধাৰাবাহিক ভাবে এনে পুথি প্ৰকাশ কৰাত অসমীয়া ক্লাৱ আৰ্থিক দৈন্যত নপৰে।

যি সকলে লিখা প্ৰস্তুত কৰি দি ক্লাৱৰ এই মহান কামত সহায় কৰিলে, বেটুপাতৰ প্ৰচ্ছদ আঁকি শ্ৰদ্ধেয় কুমুদ বৰুৱাই যি সহায় কৰিলে, যি সকলে বিভিন্ন তথ্য সৰবৰাহ কৰি সহায়ৰ হাত আগবঢ়ালে সেই সকলোলৈকে অসমীয়া ক্লাৱে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। লগতে 'ট্ৰাইকল' প্ৰেছৰ সমূহ কৰ্মীবৃন্দক ধন্যবাদ জ্ঞাপন কৰিছো।

অসমীয়া ক্লাৱৰ এই মহান উদ্যোগক আগুৱাই নিয়াৰ বাবে সকলোৰে সহায় সহযোগ আৰু দিহা পৰামৰ্শ কামনা কৰো।

**- অসমীয়া ক্লাৱ, তেজপুৰ**

আজিৰ পৰা প্ৰায় এশ ছয় বছৰ আগতে জন্ম গ্ৰহণ কৰা প্ৰয়াত পদ্ম কান্ত শৰ্মা তেজপুৰ অঞ্চলৰ এগৰাকী প্ৰখ্যাত অধিবক্তা, মুক্তি যুজাঁৰু, সমাজ সেৱক, ধৰ্ম্মপ্ৰাণ, নীতিপৰায়ণ ব্যক্তি আছিল। সমাজৰ হ'কে কিবা এটা কৰাৰ প্ৰবল ইচ্ছাই তেখেতক সকলো সময়তে সজীৱ কৰি ৰাখিছিল। মানৱীয় ব্যক্তিত্বৰে দীপ্তিমান, সমাজ আৰু জাতিৰ প্ৰতি এক বিৰল উৎসৰ্গীকৃত তাড়নাৰ প্ৰতীক শৰ্মাদেৱ সমাজৰ প্ৰতিটো স্তৰৰ মানুহৰ বাবে প্ৰেৰণা আছিল।

বৰ্ত্তমান বিশ্বায়নৰ কুপ্ৰভাৱে আমাৰ সমাজখনক ছানি ধৰিছে। ভোগবাদী স্পৃহা বাঢ়ি গৈছে। বিশ্বায়নৰ ধামখুমীয়াই মানুহৰ মৌলিক প্ৰয়োজনৰ সংজ্ঞা সলনি কৰি পেলাইছে। জীৱনৰ প্ৰমূল্যবোধৰ দিশৰো পৰিৱৰ্ত্তন ঘটাইছে। এতিয়া এচামে আৰাম, সুখ-স্বাচ্ছন্দ্য আৰু পৰ্যাপ্ত ধন-উপাৰ্জনৰ পিছত দৌৰিছে, আন এচামে সংস্থাপনহীনতা, অনিশ্চয়তা আৰু নিৰাপত্তাহীনতাত ভুগিছে। সময় আৰু সভ্যতাৰ গতিশীলতাৰ দোহাই দি আমি নিজক লৈ ব্যস্ত হৈ পৰিছো আৰু আত্মকেন্দ্ৰিক হৈ পৰিছো, লগতে পাশ্চাত্য সংস্কৃতিৰ অন্ধ অনুকৰণৰ প্ৰতি পূৰামাত্ৰাই অনুৰক্ত হৈছোঁ। এনে অৱস্থাৰ বিপৰীতে, যোৱাটো শতিকাৰ ষাঠী সত্তৰ দশকলৈ বহুতো অধিবক্তা আছিল - যি সকলে নাম মাত্ৰ ফিজৰ বিনিময়ত আৰু বহু সময়ত ফিজ নোলোৱাকৈয়ে মানুহক অকৃত্ৰিমভাৱে সেৱা আগবঢ়াই গৈছিল। সেই সকলৰ এজন আছিল - অতি নম্ৰ, সৎ, সমাজ সেৱক, প্ৰতিষ্ঠিত দেৱানী জনা আইনজীৱী পদ্ম কান্ত শৰ্মা। আনৰ দুখত দুখী, আনৰ সুখত সুখী, মৈত্ৰী আৰু কৰুণা ভাৱত তন্ময় এজন চিৰ আনন্দময় ব্যক্তি আছিল। বিনম্ৰ, নিৰাভিমানী, নিৰহঙ্কাৰী, মিষ্টভাষী আদৰ্শনীয় পুৰুষ। তেখেতৰ আইনৰ জ্ঞান অতি গভীৰ আছিল। তেওঁ অত্যন্ত সাধাৰণভাৱে জীৱন-যাপন কৰিছিল আৰু দুখীয়া নিচলাৰ প্ৰকৃত বন্ধু আছিল। এজন ব্যক্তিৰ নামটোৰ সৈতে তেওঁৰ ব্যক্তিত্বৰ সমাহাৰ কাৎচিত হে দেখিবলৈ পোৱা যায়। প্ৰয়াত পদ্ম কান্ত শৰ্মা আছিল এনে এগৰাকী ব্যক্তি যিজনাই তেওঁৰ বিস্তৃত কৰ্মময় জীৱনৰ মাজেৰে 'পদ্ম' নামটোৰ সাৰ্থকতা প্ৰমাণ কৰি এই জগতৰ পৰা বিদায় ল'লে।



তেজপুৰ চহৰৰ পৰা প্ৰায় ৫ কিলোমিটাৰ পশ্চিমে অৱস্থিত দ-পৰ্বতীয়া গাঁৱৰ লেঙা চুবুৰীত ১৯০৭ চনৰ ২৬ জানুৱাৰীত এক নৈষ্ঠিক ব্ৰাহ্মণ পৰিয়ালত পদ্ম কান্ত শৰ্মাই জন্ম গ্ৰহণ কৰে। তেখেতৰ পিতৃ আছিল বিখ্যাত পূজাৰী বংশৰ সংস্কৃত পণ্ডিত নিধিৰাম পূজাৰী আৰু মাতৃ আছিল গুণেশ্বৰী দেৱী। আঠ মাহ বয়সতে তেখেতৰ মাতৃৰ বিয়োগ হয়। মাতৃ বিয়োগত তেখেতৰ ডাঙৰ বিধৱা বায়েক আৰু জ্যেষ্ঠ ভাতৃ নিত্যানন্দ দেৱ শৰ্মাৰ তত্বাৱধানত প্ৰধানকৈ লালিত পালিত হয়। সেই সময়ত দ-পৰ্বতীয়াৰ লেঙা চুবুৰীৰ দক্ষিণ অংশ প্ৰায় ব্ৰহ্মপুত্ৰ নৈৰ গাতে লাগি আছিল আৰু অঞ্চলটো হাবি-বনেৰে আৱৰি আছিল। এক বৰ্ণাঢ্য শৈশৱৰ অধিকাৰী পদ্ম কান্ত শৰ্মাই সেউজীয়া বন-অৰণ্য, বিশাল লুইতৰ অনাবিল নৈসৰ্গিক শোভা হৃদয়ংগম কৰিবলৈ সক্ষম হৈছিল।

সময়ৰ পৰা শিক্ষা লোৱা পদ্ম কান্ত শৰ্মাই প্ৰাইমেৰি শিক্ষা আৰম্ভ কৰিছিল তেজপুৰ চৰকাৰী এম. ভি. স্কুলত। সেই সময়ত দ-পৰ্বতীয়াৰ পৰা অহা যোৱা কৰি গঢ়ি উঠা তেজপুৰ চহৰত শিক্ষা গ্ৰহণ কৰাটো কঠিন তথা দুৰূহ কাম আছিল। বাট-পথৰ অৱস্থা অতি বেয়া আছিল। আনকি দিন-দুপৰতে হাতী, বাঘ, পহু ওলাইছিল। বাৰিষাৰ দিনত পৰিস্থিতি অধিক অবনতি ঘটিছিল। তেতিয়া বুঢ়া-চাপৰিৰ পৰা বহুতো জীৱ-জন্তুৱে লেঙা-চুবুৰীৰ ৰাইজৰ বাৰীত আহি আশ্ৰয় লৈছিল। বৰ্ত্তমান দ-পৰ্বতীয়াৰ গোষ্ঠোৱাবনৰ ওচৰৰ দলংখন নাছিল, গোটেই অঞ্চলটো জয়াল হৈ থাকে। সেয়েহে, দ-পৰ্বতীয়াৰ লেঙা চুবুৰীৰ পৰা বিদ্যালয়লৈ অহাত বহুতো অসুবিধাৰ সন্মুখীন হোৱাত তেখেতৰ পিতৃয়ে তেজপুৰৰ কলিবাৰীৰ বাসিন্দা প্ৰয়াত সন্ধিৰাম কৌণ্ডিল্য (শৰ্মা)ৰ ভেটিত এটা সৰু খেৰী ঘৰ সজাই দিছিল আৰু তাত থাকিয়েই বিদ্যালয়লৈ অহা-যোৱা কৰিছিল। সন্ধিৰাম কৌণ্ডিল্য তেজপুৰ চৰকাৰী এম. ভি. স্কুলৰ হেড পণ্ডিত আছিল আৰু তেখেত সন্ধি পণ্ডিত নামেৰে জনাজাত আছিল। সন্ধি পণ্ডিত বিভিন্ন সামাজিক কাম-কাজত আগৰণুৱা ব্যক্তি আছিল আৰু তেজপুৰ কামৰূপীয়া সনাতন ধৰ্ম মন্দিৰৰ

(প্ৰতিষ্ঠা ১৯১৫ চন) এগৰাকী প্ৰতিষ্ঠাপক সদস্য আছিল। সন্ধি পণ্ডিতৰ ঘৰত থাকি তেখেতসকলৰ পৰিয়ালৰ এগৰাকী সদস্য হিচাপে নিম্ন বুনিয়াদী বৃত্তি পৰীক্ষাত বৃত্তি লাভ কৰি কৃতিত্বৰ পৰিচয় দিছিল। বয়স আঠ বছৰ পাছ মাহ হওঁতেই তেখেতৰ পিতৃৰ বিয়োগ হয়। পঢ়া-শুনাৰ প্ৰতি সৰুৰে পৰা আগ্ৰহ থকা পদ্ম কান্ত শৰ্মাৰ পিতৃয়ে সন্ধি পণ্ডিতৰ হাতত মৃত্যুৰ আগতেই কিছু ধন পঢ়া-শুনাৰ বাবে দি থৈ গৈছিল। সন্ধি পণ্ডিতেও পদ্ম কান্ত শৰ্মাৰ পঢ়াৰ দায়িত্ব নিয়াৰিকৈ পালন কৰিছিল। প্ৰাইমেৰি পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱাৰ পিছত তেজপুৰ চৰকাৰী উঃ ইংৰাজী বিদ্যালয় (বৰ্ত্তমান তেজপুৰ চৰকাৰী বালক উচ্চতৰ মাধ্যমিক বিদ্যালয়)ত নাম ভৰ্ত্তি কৰে আৰু উক্ত বিদ্যালয়ৰ পৰাই ১৯২৫ চনত কলিকতা বিশ্ববিদ্যালয়ে অনুষ্ঠিত কৰা মেট্ৰিকুলেছন পৰীক্ষাত দক্ষতাৰে প্ৰথম বিভাগত উত্তীৰ্ণ হয়। পিছত কটন কলেজত কলা শাখাত নাম ভৰ্ত্তি কৰি ১৯২৮ চনত আই এ পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হয়। আই এ পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছত তেখেত জাহাজেৰে কলিকতালৈ (বৰ্ত্তমান কলকাতা) যায়। কলিকতাৰ প্ৰেছিডেন্সি কলেজৰ স্নাতক মহলাত নাম ভৰ্ত্তি কৰে আৰু ১৯৩০ চনত সুখ্যাতিৰে কলিকতা বিশ্ববিদ্যালয়ৰ পৰা কলা শাখাত স্নাতক ডিগ্ৰী গ্ৰহণ কৰে।

স্নাতক হোৱাৰ পিছত শৰ্মাদেৱে কলিকতাত অৱস্থিত 'আসাম টি কোম্পানী'ত এগৰাকী চাকৰিয়াল হিচাপে যোগদান কৰে। চাকৰি কৰি থকাৰ লগে লগে তেখেতে আইনৰ স্নাতক মহলাৰ আৰু দৰ্শন বিষয়ত স্নাতকোত্তৰ শ্ৰেণীত নাম লগায়। পঢ়া আৰু অন্যান্য খৰচ-পাতি তেখেতে নিজেই উলিয়াই লৈছিল। ১৯৩২ চনত তেখেতে কলিকতা বিশ্ববিদ্যালয়ৰ পৰা আইনৰ স্নাতক ডিগ্ৰী লয়। কলিকতা বিশ্ববিদ্যালয়ৰ পৰা দৰ্শন বিষয়ত স্নাতকোত্তৰৰ প্ৰথম বাৰ্ষিক পৰীক্ষাত (Preliminary M.A. Examination) উত্তীৰ্ণ হৈ দ্বিতীয় বাৰ্ষিকত নাম ভৰ্ত্তি হোৱাৰ সময়ত তেখেত এক জটিল পেটৰ অসুখত ভোগে। বহুতো চিকিৎসা কৰাৰ পিছতো অসুখৰ উপশম নোহোৱাত প্ৰফুল্ল বেনাৰ্জী নামৰ এগৰাকী বন্ধুৰ পৰামৰ্শত প্ৰাকৃতিক চিকিৎসাৰ বাবে তেখেত বাৰানসীলৈ



যাত্ৰা কৰে। বাৰানসীত এবছৰ কাল প্ৰাকৃতিক চিকিৎসাত তেখেতৰ শাৰীৰিক অৱস্থাৰ যথেষ্ট উন্নত হয় আৰু তেখেত পুনৰ কলিকতালৈ ঘূৰি আহি 'আসাম টি কোম্পানী'ৰ চাকৰিত যোগদান কৰে। ১৯৩৫ চনত তেখেতে চাকৰি ইস্তাফা দি তেজপুৰলৈ ঘূৰি আহে। তেওঁ দ-পৰ্ব্বতীয়া অঞ্চলৰ প্ৰথম আইন স্নাতক আছিল।

তেজপুৰলৈ আহি তেওঁ কছাৰী গাঁও নিবাসী প্ৰয়াত চন্দ্ৰকমল শইকীয়াই ঠিক কৰা এটা ভাৰা ঘৰত থাকি আইন ব্যৱসায় আৰম্ভ কৰে। চন্দ্ৰকমল শইকীয়া বয়সত তেখেতকৈ কিছু ডাঙৰ আছিল আৰু শৰ্মাদেৱে তেখেতক দাদা বুলি সম্বোধন কৰিছিল আৰু যথেষ্ট শ্ৰদ্ধা কৰিছিল। বৰ্ত্তমান মুনলিট উচ্চ মাধ্যমিক বিদ্যালয় (Moonlit High School) ৰ অধ্যক্ষা শ্ৰীপঙ্কজা শইকীয়াৰ পিতৃ আছিল চন্দ্ৰকমল শইকীয়া আৰু উক্ত স্থানতেই তেখেতসকলৰ পুৰণা বাসস্থান আছিল। সেই সময়ৰ এজন সফল ব্যৱসায়ী তেজপুৰ গাৰোৱানপত্তি নিবাসী প্ৰয়াত মুকুণ্ড ৰাম দাস ডাঙৰীয়াই পদ্ম শৰ্মাক বাপু বুলি সম্বোধন কৰিছিল। তেখেতে এদিন শৰ্মা দেৱক লগ পাই কেকোঁৰাপুলৰ ওচৰৰ মাটিখিনি ঘৰ সজাৰ বাবে ব্যৱস্থা কৰি দিয়ে। মুকুণ্ড বাবুয়ে তেখেতক ৩৫ টকাও ঘৰ সজাৰ বাবে ধাৰে দিয়ে। তেনেকৈয়ে শৰ্মাদেৱে কেকোঁৰাপুলত (ৱাৰ্ড নং ২) স্থায়ীভাৱে বসবাস কৰিবলৈ লয়। উল্লেখযোগ্য যে কেকোঁৰাপুলৰ অধিক মাটিয়েই কলিকতাত থকা বঙালী সম্প্ৰদায়ৰ এজন জমিদাৰে বৃটিছ শাসনৰ সুবাদত নিজৰ কৰি লৈছিল। আনকি বৰ্ত্তমানো সেই মাটি উক্ত জমিদাৰ জনৰ বুলি মাজে সময়ে জাননী অহা দেখা যায়। প্ৰয়াত মুকুণ্ডৰাম দাস ঢেকীয়াজুলিত অৱস্থিত "অমিয় কুমাৰ দাস মহাবিদ্যালয়" ৰ অৱসৰ প্ৰাপ্ত উপাধ্যক্ষ শ্ৰীমাধৱ চন্দ্ৰ দাসৰ পিতৃ আছিল। স্থায়ী বাসিন্দা হোৱাৰ পিছতেই তেখেতৰ ওকালতি জীৱন আৰম্ভ হয় আৰু অতি কম সময়ৰ ভিতৰতে অবিভক্ত দৰং জিলাৰ এগৰাকী প্ৰসিদ্ধ আইনজীৱী হিচাপে প্ৰতিষ্ঠিত হয়। জিলাখনৰ দূৰণিৰ পৰা অহা বহু মক্কেল তেখেতৰ ঘৰতে থাকি আইনৰ পৰামৰ্শ আৰু সুবিধা গ্ৰহণ কৰিছিল। যি

বৰ্ত্তমান সময়ত এক ভাবিব নোৱাৰা কথা। ফিজ লোৱাৰ ক্ষেত্ৰতো তেখেতৰ বদান্যতা স্মৰণীয়। বহুতো দুখীয়া নিচলা ব্যক্তিৰ পৰা ফিজ নোলোৱাকৈ ওকালতি কৰিছিল।

ওকালতিৰ লগে লগে সামাজিক আৰু ধৰ্মীয় বহুতো অনুষ্ঠানৰ লগত তেখেত জড়িত হৈ পৰে। ভাৰতীয় জাতীয় কংগ্ৰেছৰ সদস্য, গান্ধীবাদী, সৎ আৰু নিকা চৰিত্ৰৰ অধিকাৰী শৰ্মাদেৱে সমাজৰ সকলো স্তৰৰ ব্যক্তিৰ লগত এক নিবিড় সম্পৰ্ক ৰক্ষা কৰি চলিছিল। ৪২ৰ গণ আন্দোলনৰ এগৰাকী নেতা হিচাপে তেখেত নিৰ্য্যাতিত আৰু কেইবামাহো পলাতক হৈ কাম কৰিব লগা হয়। গান্ধীবাদৰ আদৰ্শক শিৰোগত কৰি শৰ্মাদেৱে আত্মনিৰ্ভৰশীল হ'বলৈ যত্ন কৰাৰ ওপৰিও অঞ্চলৰ যুৱক-যুৱতীকো প্ৰেৰণা দিছিল।

তেজপুৰ একাডেমী, তেজপুৰ বালিকা উচ্চ বিদ্যালয় (বৰ্ত্তমান তেজপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক আৰু বহুমুখী কন্যা বিদ্যালয়), দৰং মহাবিদ্যালয়, অমিয় কুমাৰ দাস উচ্চ মাধ্যমিক বালিকা বিদ্যালয়, তেজপুৰ আইন মহাবিদ্যালয় আদি শিক্ষানুষ্ঠান স্থাপনৰ প্ৰাৰম্ভিক সময়ছোৱাত তেখেতৰ যথেষ্ট অৱদান আছে। দৰং মহাবিদ্যালয়, তেজপুৰ একাডেমীকে ধৰি বিভিন্ন শিক্ষানুষ্ঠানৰ পৰিচালনা সমিতিৰ সদস্য হিচাপে তেখেতে জীৱনৰ এক দীঘলীয়া সময় অতিবাহিত কৰিছিল। শোণিতপুৰ প্ৰাচ্য বিদ্যালয়ৰ স্থায়ী সভাপতি আৰু লালমাটি প্ৰাথমিক বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি হিচাপে তেখেতে কাৰ্য্যনিৰ্বাহ কৰিছিল। ১৮৯৮ চনত পৰ্বতীয়া নিম্ন বুনিয়াদী বিদ্যালয় স্থাপন হৈছিল। অসুবিধাৰ বাবে পিছত বিদ্যালয় খন দ-পৰ্বতীয়াৰ পোতা-পুখুৰীৰ সন্মুখত স্থাপনৰ বাবে ৰাইজে ইচ্ছা প্ৰকাশ কৰে। শিক্ষাৰ প্ৰসাৰৰ কথা চিন্তা কৰা প্ৰয়াত শৰ্মাই পোতা পুখুৰীৰ সন্মুখত ১৯৭২ চনত প্ৰায় ১ বিঘা মাটি উক্ত বিদ্যালয়খনৰ বাবে দান দি গৈছে। তেখেতৰ বদান্যতা ৰাইজে এতিয়াও শ্ৰদ্ধাৰে সোঁৱৰে।

মহাভৈৰৱ মন্দিৰ আৰু কামৰূপীয়া সনাতন ধৰ্ম মন্দিৰলৈ তেখেত নিয়মীয়াকৈ অহা-যোৱা কৰিছিল। কামৰূপীয়া সনাতন ধৰ্ম মণ্ডলীৰ এজন



হিতাকাংক্ষী ব্যক্তি আছিল। নবীন চন্দ্ৰ কাথহাজৰিকাৰ দ্বাৰা ৰচিত "প্ৰীতি সম্ভাষণ" (প্ৰথম প্ৰকাশ, ১৯৯৩ চন) পুথিত প্ৰস্তাৱনাত উল্লেখ আছে - "তেজপুৰৰ শ্ৰী শ্ৰী শঙ্কৰ মন্দিৰৰ সভাপতি হিচাবে বিশিষ্ট নেতা, জ্যেষ্ঠ অধিবক্তা পদ্ম কান্ত শৰ্মা ডাঙৰীয়া বহু বছৰ আছিল।" শ্ৰীশ্ৰী শঙ্কৰ মন্দিৰৰ সভাপতি হোৱাৰ লগতে তেজপুৰ শঙ্কৰদেৱ সংঘৰ লগতো তেখেত সক্ৰিয় ভাৱে জড়িত হৈ আছিল। প্ৰধানকৈ তেখেতৰ প্ৰচেষ্টাতেই তেজপুৰ কছাৰীগাঁও দূৰ্গাপূজা আৰু হৰিজন কলনি দূৰ্গাপূজা পঞ্চাশৰ দশকতেই আৰম্ভ হৈ বৰ্ত্তমানলৈকে পালিত হৈ আছে। শ্ৰীৰাম কৃষ্ণ সেৱাশ্ৰম, তেজপুৰ শাখাৰ লগত তেখেত ওতঃপোত ভাৱে জড়িত আছিল আৰু মৃত্যুৰ সময়লৈকে উক্ত অনুষ্ঠানৰ সভাপতিৰ পদ অলংকৃত কৰিছিল। চাৰিদুৱাৰ ব্ৰাহ্মণ সমাজৰ সভাপতি হিচাপেও তেখেতে সেৱা আগবঢ়াই গৈছে। বিচিত্ৰ কাহিনীবহুল গৌৰৱোজ্জ্বল ঐতিহ্যৰে সমৃদ্ধ 'বাণ থিয়েটাৰ'ৰ লগত তেখেতৰ ওচৰ সম্বন্ধ আছিল আৰু ১৯৫২ চনত এই মহান অনুষ্ঠানটিৰ সাধাৰণ সম্পাদকৰ পদ অলংকৃত কৰিছিল। তেখেতে গভীৰ ভাবে বিশ্বাস কৰিছিল যে ধৰ্মৰ বিভিন্ন ধাৰাৰ প্ৰসাৰৰ জৰিয়তে সকলো বৰ্ণ-সম্প্ৰদায়ৰ মাজত ঐক্য- সম্প্ৰীতি গঢ়ি তুলিব পৰা যায়। হিন্দু ধৰ্মৰ বিভিন্ন শাখা-প্ৰশাখাৰ মাজত সম্পৰ্ক সাধনৰ দ্বাৰা এইটো সম্ভৱ বুলি তেখেতে ভাবিছিল। যাৰ বাবে নিজে এজন শাক্ত হৈও শংকৰী ধৰ্মৰ অনুষ্ঠানত জড়িত হৈ পৰিছিল। হৰিজন তথা জনজাতি সমাজৰ মাজতো দূৰ্গা পূজাৰ আয়োজন কৰি সম্প্ৰীতিৰ বাট মুকলি কৰিছিল।

অৱশ্যে শিশু কালৰ পৰাই তেখেতে দেখিছিল যে লেঙা চুবুৰীত মাথো দুটা পৰিয়ালহে ব্ৰাহ্মণ সম্প্ৰদায়ৰ আছিল যদিও সকলো পৰিয়ালৰ মাজত মিলা-প্ৰীতিৰ এক সুন্দৰ পৰিৱেশ আছিল। বৰ্ণবাদী ভেদ ভাবৰ পৰা মুক্ত এখন চুবুৰীত ৰাইজৰ মাজত ঐক্য-সংহতিৰ এনাজৰী কটকটীয়া আছিল। আনহাতে দ-পৰ্বতীয়াৰ শিলৰ তোৰণৰ মাজত থাপিত শিৱ-লিংগ, লেঙা চুবুৰীৰ বেল-গছৰ তলত থকা শিৱ-লিংগ, আনকি আশে-পাশে থকা হেণ্ডুলেশ্বৰ, পিঙ্গলেশ্বৰ, সিদ্ধেশ্বৰ আদি শিৱ-উপাসনা মন্দিৰ আছে। গতিকে

সৰুৰ পৰাই শাক্ত বা শৈৱ ধৰ্মৰ প্ৰতি আকৃষ্ট হোৱাটো স্বাভাৱিক আছিল। কিন্তু পৰৱৰ্ত্তী পৰ্যায়ত তেজপুৰ, গুৱাহাটী আৰু কলিকতাত অধ্যয়ন কৰিবলৈ গৈ বিভিন্ন মানুহ, বিভিন্ন ধৰ্ম তথা সংস্কৃতিৰ সংস্পৰ্শলৈ অহা, দৰ্শনৰ ছাত্ৰ হিচাবে ধৰ্মক দৰ্শনৰ দৃষ্টিৰে চোৱা, স্বাধীনতা আন্দোলনৰ পৰা আহৰণ কৰা অভিজ্ঞতা আৰু আইনৰ জ্ঞানেৰে সকলোকে সমানে চোৱা আদিৰ বাবে ধৰ্মীয় সহনশীলতাৰ পক্ষত আছিল আনহাতে ধৰ্মীয় গোড়ামিক প্ৰশ্ৰয় দিয়া নাছিল। বৰঞ্চ এই ক্ষেত্ৰত উদাৰনৈতিক দৃষ্টিভঙ্গী গ্ৰহণ কৰিছিল।

তেজপুৰৰ আন এক পুৰণি অনুষ্ঠান ''অসমীয়া ক্লাৱ'' (স্থাপিত ১৯১৫ চন, ১ বহাগ, ১৪ এপ্ৰিল) ৰ লগত জড়িত শৰ্মাদেৱ উক্ত ক্লাৱৰ শেষৰজন সম্পাদক ('প্ৰীতি সম্ভাষণ', লিখক ঃ নবীন চন্দ্ৰ কাথ হাজৰিকা, প্ৰথম প্ৰকাশ, ১৯৯৩ চন, পৃ ৭৮০)। অসমীয়া ক্লাৱৰ বিষয়ববীয়া আৰু সদস্যৰ সৰহ সংখ্যকেই ভাৰতীয় জাতীয় কংগ্ৰেছৰ সদস্য আছিল। তেজপুৰ জিলা কংগ্ৰেছৰ নিজা কাৰ্যালয় নথকাত ১৯৩৭ চনৰ শেষৰ ফালে এক চুক্তি অনুযায়ী ক্লাৱ ভৱন কংগ্ৰেছৰ কাৰ্যালয় হিচাপে ব্যৱহাৰ কৰিবলৈ অনুমতি দিয়া হয়। কিন্তু গোজেই গজালি মেলাৰ দৰে পিছলৈ কংগ্ৰেছে অসমীয়া ক্লাৱৰ মাটি-ঘৰ আদি নিজৰ সম্পত্তি হিচাবে গণ্য কৰিবলৈ ধৰিলে। স্বাধীনতাৰ পিছতো কংগ্ৰেছে মাটি-ঘৰ ক্লাৱ কৰ্তৃপক্ষক চমজি নিদি ক্লাৱ ঘৰৰ হোল্ডিং নিজৰ নামত কৰাৰ ব্যৱস্থা কৰিলে। ১৯৭১ চনত চৰকাৰী চাকৰিৰ পৰা অৱসৰ গ্ৰহণৰ পাছত প্ৰয়াত কুশ চন্দ্ৰ শৰ্মাই বিস্মৃতিত লুকাই থকা 'অসমীয়া ক্লাৱ'ক জনসাধাৰণৰ স্মৃতিৰ পটলৈ অনাৰ উদ্দেশ্যে বিভিন্ন মাধ্যমেৰে জনসাধাৰণক আহ্বান জনায়। ড০ পূৰ্ণ নাৰায়ণ সিংহৰ দ্বাৰা সম্পাদিত 'মহাজাতি' কাকতে এই ক্ষেত্ৰত এক বলিষ্ঠ ভূমিকা পালন কৰিছিল। ১৯৭৩ চনৰ ডিচেম্বৰ মাহত প্ৰকাশিত 'অসমীয়া ক্লাৱ' - পুনৰুদ্ধাৰৰ এক বাতৰি প্ৰকাশ কৰাৰ লগতে এখন 'সাধাৰণ সভা' অনুষ্ঠিত কৰাৰ বাবে ৰাইজক অৱগত কৰা হয়। সেই মৰ্মে ২৯/১/১৯৭৪ চনত 'তৰুণ অসম সংঘ ভৱন'ত এখন সভা আহ্বান কৰা হয়। অসমীয়া ক্লাৱ পুনৰুদ্ধাৰৰ এইখনেই প্ৰথম



সভা। উক্ত সভাত ক্লাৱৰ মাটি-ঘৰ পুনৰুদ্ধাৰৰ বাবে ১৭ জনীয়া এখন কাৰ্য্য-নিৰ্বাহক সমিতি গঠন কৰা হয়।

| | |
|---|---|
| সভাপতি | ঃ দুলাল চন্দ্ৰ ভট্টাচাৰ্য্য (প্ৰয়াত) |
| উপ সভাপতি | ঃ পদ্ম কান্ত শৰ্মা (প্ৰয়াত) |
| সাধাৰণ সম্পাদক | ঃ কুশ চন্দ্ৰ শৰ্মা (প্ৰয়াত) |
| যুটীয়া সম্পাদক | ঃ ১। ড° পূৰ্ণ নাৰায়ণ সিংহ (প্ৰয়াত) |
| | ২। শ্ৰী যতীন্দ্ৰ নাথ কোঁচ |
| কোষাধ্যক্ষ | ঃ কামাখ্যা কুমাৰ পদ্মপতি (প্ৰয়াত) |
| সদস্য সকল | ঃ বাহাৰ আলি, মহীকান্ত দাস, উমাকান্ত নাথ, হৰকান্ত দাস, নগেন্দ্ৰ নাথ কটকী, সিদ্ধেশ্বৰ শৰ্মা কলিতা, নন্দেশ্বৰ ভূঞাঁ, অভয় চৰণ দাস আৰু বসন্ত কুমাৰ বৰ্মন। |

ক্লাৱৰ মাটি-ঘৰ পুনৰুদ্ধাৰৰ ক্ষেত্ৰত ওপৰত উল্লেখিত কাৰ্য নিৰ্বাহক সভাৰ সদস্যৰ উপৰিও সত্ৰাধিকাৰ গহন চন্দ্ৰ গোস্বামী, অধিবক্তা সুধীন চন্দ্ৰ গাংগুলী, প্ৰফুল্ল কমল দাস, থানেশ্বৰ হাজৰিকা, দীননাথ শৰ্মা, কমলা প্ৰসাদ আগৰৱালা, চিদানন্দ বৰুৱা, চৈয়দ ইস্কে আলম আদি ব্যক্তি সকলে প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে যথেষ্ট সহায় আগবঢ়ায়। ১৯৭৪ চনৰ পৰা ১৯৭৭ চনলৈ নানা চেষ্টা প্ৰচেষ্টাৰ ফলত চল্লিশ বছৰ কংগ্ৰেছৰ হাতত থকা ক্লাৱ ভৱন ১৮/১২/১৯৭৭ চনত পুনৰুদ্ধাৰ হয়। অৱশ্যে শৰ্মাদেৱৰ উক্ত বছৰৰ মাৰ্চ মাহৰ ২৩ তাৰিখে বিয়োগ হোৱাত 'অসমীয়া ক্লাৱ'ৰ উপ-সভাপতি হিচাবে কাৰ্য নিৰ্বাহ কৰি থকাৰ পিছতো সেই সু-সংবাদ পোৱাৰ পৰা বঞ্চিত হয়।

সমবায় আন্দোলনৰ লগত সবল ভাৱে জড়িত শৰ্ম্মাদেৱে প্ৰায়েই উল্লেখ কৰিছিল যে ভাৰতবৰ্ষৰ নিচিনা এখন কৃষি প্ৰধান দেশত সমবায়ৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ আৰু সমবায়ৰ উন্নতি অবিহনে দেশৰ বিশেষকৈ গ্ৰাম্য অৰ্থনীতিৰ বিকাশ আশা কৰা নাযায়। বিভিন্ন সমবায় অনুষ্ঠানৰ লগত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰা শৰ্মাদেৱ মৃত্যুৰ সময়লৈকে ''চেন্ট্ৰাল-কো-

অপাৰেটিভ বেংক''ৰ তেজপুৰ শাখা আৰু ১৯৩০ চনতে পঞ্জীয়ণ লাভ কৰা ''তেজপুৰ কো-অপাৰেটিভ কনজুমাৰ ষ্টোৰ্চ লিমিটেডৰ সভাপতিৰ পদ অলংকৃত কৰিছিল।

তেজপুৰ পৌৰসভাৰ অন্তৰ্গত ২নং ৱাৰ্ডৰ ৱাৰ্ড কমিশ্বনাৰ হিচাপে তেখেতে বহু বছৰ ধৰি কাৰ্যনিৰ্বাহ কৰি ৱাৰ্ডটোৰ উন্নতিকল্পে যথেষ্ট অৱদান আগবঢ়াই গৈছে। ১৯৬০ চনৰ ভাষা আন্দোলনৰ প্ৰভাৱ অসমৰ অন্যান্য ঠাইৰ দৰে তেজপুৰতো পৰিছিল। হিংসা আৰু সংঘাতে অতিষ্ঠ কৰি তোলা তেজপুৰ বিভিন্ন অঞ্চলৰ লগতে ৱাৰ্ড নং ২ৰ অন্তৰ্গত লালমাটিতো হিংসাৰ দাৱানল অংকুৰিত হৈছিল। ৱাৰ্ড কমিশ্বনাৰ হিচাপে শৰ্মাদেৱে মানুহক হিংসা, সন্ত্ৰাস আদি বাদ দি সংযম ৰক্ষা কৰিবলৈ আহ্বান জনোৱাৰ লগতে শান্তি সম্প্ৰীতি অটুত ৰখাত যথেষ্ট কষ্ট স্বীকাৰ কৰি কৃতকাৰ্য হৈছিল। তেজপুৰৰ এগৰাকী প্ৰবীণ নাগৰিক, বিশিষ্ট ব্যৱসায়ী লালমাটি নিবাসী শ্ৰীনিমাই সূত্ৰধৰে এতিয়াও প্ৰয়াত শৰ্মাই কৰা ত্যাগ শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। শ্ৰীসূত্ৰধৰে উল্লেখ কৰে যে শৰ্মাদেৱে দেখুৱা কৰ্ত্তব্যবোধ আৰু ত্যাগে সেই সময়ত এক জীৱনদায়িনী শক্তি স্বৰূপ হৈ পৰিছিল। জাতি, বৰ্ণ, ভাষা, ধৰ্মৰ সীমা অতিক্ৰম কৰি তেখেতে সকলো মানুহৰ আগত মানৱতাৰ মহান আদৰ্শ দাঙি ধৰিছিল। তেওঁ এজন অসাধাৰণ ব্যক্তি। কৰ্মক্ষেত্ৰত তেখেতৰ লগত কাম কৰা অথবা তেখেতক নিবিড়ভাৱে লগ পোৱা কিছু সংখ্যকৰ বাহিৰে আন মানুহে তেওঁৰ নাম শুনা নাই আৰু তেওঁৰ বিষয়ে একো নাজানে। এই বিশ্বত তেওঁৰ দৰে বহুতো সাধাৰণ মানুহেই এনেকুৱা নীৰৱ আৰু প্ৰচাৰ বিমুখ জীৱন যাপন কৰে। তেখেতৰ সংস্পৰ্শলৈ অহা সকলোৱেই তেখেতৰ ব্যক্তিত্বৰ প্ৰভাৱ অনুভৱ কৰিছিল।

তেজপুৰ লোকেল বৰ্ডৰ চেয়াৰমেন হিচাপে শৰ্মাদেৱ ১৯৫৭ চনত নিৰ্বাচিত হয়। বৰ্ডৰ চেয়াৰমেন হিচাবে বৰ্ডৰ অন্তৰ্গত প্ৰায়বোৰ ঠাই ভ্ৰমণ কৰাৰ সুযোগ পায় আৰু পিছপৰা অঞ্চলসমূহৰ আন্তঃগাঠনি উন্নত কৰাত যথেষ্ট কাম কৰে। বৰ্ডৰ অধীনৰ অঞ্চল সমূহৰ ৰাস্তা-ঘাট নিৰ্মাণ, দলং নিৰ্মাণ,



স্বাস্থ্য ৰক্ষামূলক নৰ্দমাৰ ব্যৱস্থা, সু-পৰিপাতি বজাৰ পাতি, খোৱা বস্তু, শাক-পাচঁলি আদি দৈনন্দিন সামগ্ৰীসমূহ নিয়মীয়া প্ৰাপ্তিৰ সুবিধাৰ যথাযথ ব্যৱস্থা ল'বলৈ যত্নপৰ হৈছিল। স্থানীয় জনগণৰ ইচ্ছা-উদ্দীপনাৰ ওপৰত লোকেল বৰ্ডৰ সাফল্য বহু পৰিমাণে নিৰ্ভৰ কৰে। স্থানীয় জনগণক ইয়াৰ কাৰ্য-কলাপত সক্ৰিয় অংশগ্ৰহণ কৰাৰ বাবে তেখেতে সদায় উদ্গণি যোগাইছিল। ১৯৫৭ চনৰ পৰা ১৯৬০ চনলৈ লোকেল বৰ্ডৰ চেয়াৰমেনৰ দায়িত্বত থাকি অকল বৰ্ডৰ সদস্যসকলৰ লগতে নহয়, গোটেই মহকুমাটোৰ সাধাৰণ ৰাইজৰ লগতে বিভিন্ন নেতা কৰ্মীৰ লগত ঘনিষ্ঠ সম্পৰ্ক ৰাখিবলৈ সক্ষম হৈছিল। সেই সময়ত লোকেল বৰ্ডে কিছু গুৰুত্বপূৰ্ণ ঐতিহাসিক সিদ্ধান্ত লৈছিল। সেইটো হ'ল তেজপুৰৰ বিভিন্ন পুখুৰীসমূহ সংৰক্ষণ কৰা তথা বিভিন্ন উদ্যানসমূহ সুৰক্ষিত কৰা আৰু নৈৰ পাৰসমূহ দখল মুক্ত কৰা। তেতিয়াই সেই সিদ্ধান্ত লোৱাৰ বাবেই আজি আমি তেজপুৰৰ পুখুৰীসমূহ আৰু উদ্যানবোৰ ৰক্ষা কৰিব পাৰিছো আৰু উন্নত কৰিব পাৰিছো। পৰবৰ্ত্তী পৰ্যায়ত তেজপুৰ পৌৰসভাৰ জৰিয়তে উক্ত উদ্যোগ অব্যাহত ৰাখিছিল।

ইয়াৰ লগতে এইটো উল্লেখ কৰা উচিত হ'ব যে স্বাধীনতা আন্দোলনৰ সময়ত কানি নিবাৰণৰ যি অভিযান চলিছিল, সেই অভিযান স্বাধীনতা আন্দোলনৰ পিচতো অব্যাহত আছিল। বিশেষকৈ লোকেল বৰ্ডৰ জৰিয়তে এই অভিযানৰ শেষ পৰ্যায় চলোৱা হৈছিল। এই ক্ষেত্ৰত তদানিন্তন ৰাজ্যিক শিক্ষা মন্ত্ৰী ঁঅমিয় কুমাৰ দাসৰ সহায় আৰু সহযোগ পাইছিল। পঞ্চায়ত ৰাজ নোহোৱা পৰ্যন্ত তেজপুৰ লোকেল বৰ্ডে ১৯৬০ চন পৰ্যন্ত কাৰ্যনিৰ্বাহ কৰে। তাৰ পিছত অসমৰ সকলো লোকেল বৰ্ড ভঙ্গ কৰি গাঁও পঞ্চায়ত পতা হ'ল। ইয়াৰ বাবে নতুন আইন প্ৰণয়ন হ'ল। পদ্ম কান্ত শৰ্মা তেজপুৰ লোকেল বৰ্ডৰ শেষৰ জন চেয়াৰমেন আছিল।

সমাজৰ সকলো শ্ৰেণীৰ লোকৰ লগতে তেখেতৰ সদভাৱ আছিল। দিহা-পৰামৰ্শ আৰু অন্যান্য বিপদ-আপদত তেখেতে কেইজনমান বন্ধু স্থানীয় ব্যক্তিৰ পৰামৰ্শ গ্ৰহণ কৰিছিল। সেইসকলৰ প্ৰধানকৈ আছিল - কমলা প্ৰসাদ

আগৰৱালা, চন্দ্ৰ কমল শইকীয়া, মুকুণ্ড ৰাম দাস, দুলাল চন্দ্ৰ ভট্টাচাৰ্য্য, মহেশ্বৰ হাজৰিকা, ৰাধিকা দাস, লম্বোধৰ ডেকা, পদ্মনাথ বৰুৱা, যতীন্দ্ৰ মোহন শৰ্মা, যোগেন্দ্ৰ নাথ ভট্টাচাৰ্য, ৰাধিকা মোহন সোম, জগদীশ চৌধুৰী, সত্ৰাধিকাৰ গহন চন্দ্ৰ গোস্বামী, খান চাহেব মহম্মদ চৈয়দ, অভয় চৰণ দাস, আৰু বাহাৰ আলি। বন্ধুসকলক মাজে-সময়ে নিমন্ত্ৰণ কৰাৰ লগতে ২৬ জানুৱাৰী (তেখেতৰ জন্ম দিন)ত বিশেষ ভাৱে জা-জলপানেৰে আপ্যায়িত কৰাটো তেখেতৰ এক বিশেষত্ব আছিল।

ওকালতিৰ বৰ্ণময় জীৱনৰ সামৰণি মাৰি ১৯৭৭ চনৰ ২৩ মাৰ্চ তাৰিখে পুৱা ৬-১৫ মিনিটত তেখেতে ইহলীলা ত্যাগ কৰি পৰলোকলৈ গমন কৰে। ৰাজনৈতিক পৰিস্থিতিত এক নতুন পৰিবৰ্ত্তনৰ ধুমুহা অহাৰ সময়ত তেখেতৰ মৃত্যু হৈছিল। স্বাধীনতাৰ পিছত সমগ্ৰ দেশত উত্তাল ৰাজনৈতিক পৰিৱেশ তেতিয়া বিৰাজ কৰিছিল। পদ্ম কান্ত শৰ্মা এজন একনিষ্ঠ কংগ্ৰেছ কৰ্মী তথা সদস্য আছিল যদিও ১৯৭৫ত তদানীন্তন প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীৰ শাসনত দেশজুৰি বলবত কৰা জৰুৰীকালিন ব্যৱস্থা আৰু সেই ব্যৱস্থাই দেশৰ গণতন্ত্ৰৰ ওপৰত কৰা আঘাতক মনে-প্ৰাণে মানিব পৰা নাছিল। তেতিয়া দেশত পৰিবৰ্ত্তনৰ ঢৌ-প্ৰবল হয় আৰু প্ৰায় সকলো বিৰোধী একগোট হৈ জনতা দল গঠন হয় আৰু স্বাধীনতাৰ পিছত প্ৰথমবাৰলৈ কেন্দ্ৰৰ কংগ্ৰেছ শাসনক অপসাৰণ কৰি জনতাদলে কেন্দ্ৰ শাসন দখল কৰে। ১৯৭৭ৰ নিৰ্বাচনী প্ৰচাৰ চলি থকা সময়তেই পদ্ম কান্ত শৰ্মাৰ দেহাবসান ঘটে। তেখেতৰ নলে-গলে লগা বন্ধু তেজপুৰৰ প্ৰাক্তন সাংসদ প্ৰয়াত কমলা প্ৰসাদ আগৰৱালাদেৱে দলীয় নিৰ্বাচনী প্ৰচাৰৰ বাবে শয্যাপাটীত থকা শৰ্মাক লগ ধৰি শেষ বিদায় আৰু আশিস লৈছিল। পদ্ম কান্ত শৰ্মাৰ মৃত্যুৰ পিছতেই হোৱা নিৰ্বাচনত বিজয় চন্দ্ৰ ভাগৱতীয়ে পৰাজয় বৰণ কৰে আৰু প্ৰয়াত পূৰ্ণ নাৰায়ণ সিঙ প্ৰথমজন অ-কংগ্ৰেছী সাংসদ হিচাবে তেজপুৰ সমষ্টিৰ পৰা জয়ী হয়। কিন্তু পদ্মকান্ত শৰ্মাৰ মৃত্যুত তদানিন্তন সাংসদ পূৰ্ণ নাৰায়ণ সিঙে দিল্লীৰ পৰা শোক-বাৰ্তা প্ৰেৰণ কৰি গভীৰ সমবেদনা জ্ঞাপন কৰিবলৈ পাহৰা নাছিল।



প্ৰয়াত পদ্ম কান্ত শৰ্মাই যেনেকৈ সমাজৰ উন্নতিৰ বাবে, ৰাইজৰ মাজত সংহতি গঢ়ি তোলাৰ বাবে, তেজপুৰৰ পাৰিপাৰ্শ্বিকতা সুৰক্ষিত কৰাৰ বাবে, ধৰ্মীয় ঐক্য তথা সম্প্ৰীতি গঢ়ি তোলাৰ বাবে নীৰৱে-নিৰলে দৃষ্টান্তমূলক কাম কৰি গ'ল, সেইদৰে সাংসাৰিক জীৱনত 'অভাবো নাই, ভঁৰালো নাই' স্থিতিৰে নিজৰ বৃহৎ পৰিয়ালটোক নিয়াৰিকৈ প্ৰতিপালন কৰিছিল। প্ৰতিটো সন্তানক তুলি তালি মানুহ কৰিছিল, বিশেষকৈ শ্ৰমৰ মৰ্যাদাৰে জীৱন গঢ়াৰ আদৰ্শ সকলোকে দিছিল। প্ৰতিটো সন্তানক নিজ ভৰিৰ ওপৰত ঠিয় হৈ স্বাধীন হোৱাৰ বাবে মতাদৰ্শগত শিক্ষা দিছিল। নিজেও কঠোৰ নিয়মানুবৰ্ত্তিতা মানি চলিছিল। উদাৰনৈতিক ধ্যান ধাৰণা প্ৰধান ভিত্তি আছিল যদিও সামাজিক নীতি নিয়মক কেতিয়াও অবহেলা কৰা নাছিল। সততা, একাগ্ৰতা, কৰ্ম-নিষ্ঠা, দায়বদ্ধতা, সচেতনতা আৰু দক্ষতাৰ চূড়ান্ত নিৰ্দশন দাঙি ধৰি তেওঁ সেৱা আগবঢ়োৱা বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে তেখেতৰ অৱদান শ্ৰদ্ধাৰে স্মৰণ কৰে। কৰ্মময় জীৱন আৰু সমাজ সচেতনাৰ যি আদৰ্শ তেখেতে দেখুৱাই গ'ল, সেয়া আনৰ বাবে পাথেয় স্বৰূপ। সমাজৰ প্ৰগতিৰ স্থবিৰতাৰ হেঙাৰ ভাঙি ভালপোৱা, বিশাল ব্যক্তিত্বৰ অধিকাৰী, নিৰহংকাৰী, স্বল্পভাষী মানুহজনৰ কৰ্মপ্ৰবাহ সীমাহীন প্ৰেৰণাৰ আহিঁ। মাননীয় গুৱাহাটী উচ্চ ন্যায়লয়ৰ জ্যেষ্ঠ অধিবক্তা উজান বজাৰ নিবাসী প্ৰয়াত প্ৰশান্তকুমাৰ বৰুৱাই তেখেতৰ শোক-বাৰ্তাত উল্লেখ কৰিছিল -

"He was not an ambitious man and yet he was a hard working man and performed his duties with a lot of deal. In a way, he lived his life like a missionary guided by the motto of 'Enjoy in giving'. People of his genre are becoming rarer and rarer."

আজি শৰ্মাদেৱ আমাৰ মাজত নাই। তেখেতৰ আদৰ্শ আৰু চিন্তাই নিশ্চয় উত্তৰপুৰুষক সদায়েই অনুপ্ৰাণিত কৰি থাকিব।